# অসম লোকসেৱা আয়োগ

# ASSAM PUBLIC SERVICE COMMISSION

*******

## বাতৰিৰ স্পষ্টীকৰণ

যোৱা ১০ নৱেম্বৰ ২০21 ইং তাৰিখৰ দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা আৰু আমাৰ অসম কাকতত প্ৰকাশিত “উদ্যোগ আৰু বাণিজ্য বিভাগৰ ২১টা ফাংচনেল মেনেজাৰ/প্ৰজেক্ট মেনেজাৰ/উপসঞ্চালক পদৰ প্ৰাৰ্থী বাছনিত চুড়ান্ত অনিয়ম” শীৰ্ষক শিৰোনামাৰে প্ৰকাশিত বাতৰিসমূহ আয়োগৰ দৃষ্টিগোচৰ হৈছে। আয়োগে এই সন্দৰ্ভত স্পষ্টীকৰণ দিব বিচাৰে যে বিজ্ঞাপণ অনুসৰি উক্তপদৰ বাবে প্ৰাৰ্থী নিৰ্দিষ্ট বিষয়ত স্নাতক হোৱাৰ উপৰিও কোনো চৰকাৰী/চৰকাৰী অধীনস্থ প্ৰতিষ্ঠানত অতিকমেও আঁঠ বছৰ কামকৰা অভিজ্ঞতাসম্পন্ন হ’ব লাগে আৰু ইয়াৰে ভিতৰত পাঁচ বছৰ সহকাৰী সঞ্চালক পৰ্যায়ৰ পদত নিশ্চিতভাবে কৰ্মৰত হ’বই লাগিব। প্ৰাৰ্থীসকলে দাখিল কৰা প্ৰপত্ৰসমূহ নিৰীক্ষণৰ অন্তত সৰ্বমুঠ ২৭ গৰাকী প্ৰাৰ্থীয়ে উক্ত অভিজ্ঞতা, পদমৰ্য্যাদা আৰু সহকাৰী সঞ্চালক পৰ্যায়ৰ পদত কাম কৰাৰ যোগ্যতাসূচক মানবোৰ পুৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল আৰু ২৪৫ গৰাকীক অযোগ্য বুলি বিবেচিত হৈছিল।

ইতিমধ্যে অযোগ্য বিবেচিত প্ৰাৰ্থীসকলৰ কিছুমানে কেন্দ্ৰীয়/ৰাজ্য চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠানত কৰ্মৰত সুত্ৰে আয়োগৰ ওচৰত তেওঁলোকৰ প্ৰাৰ্থীত্ব পুনৰ বিবেচনাৰ বাবে প্ৰাৰ্থনা জনাইছিল আৰু আয়োগে তেওঁলোকৰ নথিপত্ৰসমূহ পুংখানুপুংখভাৱে পৰীক্ষা কৰি প্ৰতীয়মান হৈছিল যে ইয়াৰে ১১ গৰাকী প্ৰাৰ্থীৰ পূৰ্ব-সংশোধিত দৰমহা গাঁথনিয়ে তেওঁলোকৰ পদমৰ্য্যাদা আৰু সহকাৰী সঞ্চালক পৰ্যায়ৰ পদত কাম কৰাৰ যোগ্যতাসূচক মান বিজ্ঞাপনৰ সৈতে পূৰ্ণ কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত তেওঁলোককো যোগ্য বুলি বিবেচনা কৰা হয়। সেয়েহে ইতিম্যধে যোগ্য বুলি বিবেচিত ২৭ গৰাকী আৰু পৰবৰ্তী ১১ গৰাকী মুঠ ৩৮ গৰাকী প্ৰাৰ্থীক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনোৱা হয়। আয়োগে সকলো সংশ্লিষ্টপক্ষক দৃঢ়তাৰে জনাব বিছাৰে যে উক্ত ১১ জন প্ৰাৰ্থীৰ সাক্ষাৎকাৰলৈ পুনৰ বাছনিৰ ক্ষেত্ৰত কোনো ধৰণৰ অনিয়ম হোৱা নাই।

আয়োগৰ নিজস্ব বিধি অনুসৰি মৌখিক সাক্ষাৎকাৰৰ বাবে মুঠ ১০০ নম্বৰ ধাৰ্য্য কৰা হৈছিল। ইয়াৰ ভিতৰত শিক্ষাগত অৰ্হতাৰ বাবে ৫০ নম্বৰ আৰু সাক্ষাৎকাৰৰ বাবে ৫০ নম্বৰ। উক্ত ১০০ নম্বৰৰ পৰা পোৱা নম্বৰ আৰু সম্পূৰ্ণ মেধাৰ ভিত্তিত পদসমূহৰ বাবে প্ৰাৰ্থী বাছনি কৰা হৈছিল। গতিকে এনেধৰণৰ বিভ্ৰান্তিকৰ বাতৰিয়ে আয়োগে স্বচ্ছ, নিকা আৰু মেধাৰ ভিত্তিত বাছনি কৰা যোগ্যবান প্ৰাৰ্থীসকলৰ মনোবলত আঘাত কৰাৰ লগতে আগন্তক বিভিন্ন পৰীক্ষাসমূহত অৱতীৰ্ণ হ’বলগীয়া নিষ্ঠাবান প্ৰাৰ্থীসকলকো নিৰুৎসাহিত কৰিব।

আয়োগৰ তৰফৰ পৰা এই ক্ষেত্ৰত সংবাদ মাধ্যম আৰু সংবাদসেৱী সকলোলৈ এনেধৰণৰ বিভ্ৰান্তিকৰ বাতৰি ভৱিষ্যতলৈ পৰিৱেশনৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনায়।

সচিব,

অসম লোকসেৱা আয়োগ,

খানাপাৰা, গুৱাহাটী-২২